# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 01-03-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে বিশ্বই ২১ শতিকাৰ ভাৰতলৈ অ্ধিৰ আগ্ৰহেৰে বাট চাই আছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি এন এক্স টি সমাৰোহত ভাষণ দি শ্ৰীমোদীয়ে এইদৰে কয়।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীত এখন বৈঠকত মণিপুৰৰ নিৰাপত্তা ব্যৱস্থাৰ পৰ্যালোচনা কৰিছে।

৩। উত্তৰাখণ্ডৰ চাম'লী জিলাৰ মানা গাঁৱত হিমস্খলনৰ ফলত আৱদ্ধ হৈ পৰা ৪৭ জন শ্ৰমিকক এই পৰ্যন্ত উদ্ধাৰ কৰা হৈছে।

৪। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলডিমিৰ জেলেনস্কিক সতৰ্ক কৰি দি আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে কয় যে অতি সোণকালে তেওঁ শান্তি স্থাপন কৰক, অন্যথা ইউক্ৰেইনে ৱাছিংটনৰ সমৰ্থন হেৰুৱাব লাগিব।

*আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ বিৰ লীগ পৰ্যায়ৰ চূড়ান্ত খেলত আজি দক্ষিণ আফ্ৰিকাই ইংলেণ্ডৰ বিৰুদ্ধে খেলিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে বিশ্বই ২১ শতিকাৰ ভাৰতলৈ অ্ধিৰ আগ্ৰহেৰে বাট চাই আছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি এন এক্স টি কনক্লেভত ভাষণ দি শ্ৰীমোদীয়ে কয়, যে ভাৰতৰ বিষয়ে জানিবলৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা ভালেমান লোক আমাৰ দেশলৈ আহিবলৈ আগ্ৰহী। তেওঁ কয়, যে ভাৰত এনে এখন দেশ য'ত প্ৰতিদিনে ইতিবাচক খবৰ সৃষ্টি হয়। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত সামৰণি পৰা মহাকুম্ভ মেলাক একতাৰ প্ৰতীক ৰূপে অভিহিত কৰি কয়, যে এই মহামেলাৰ ত্ৰিবেনী সংগমত কোটি কোটি লোকে পবিত্ৰ স্নান সম্পন্ন কৰা কাৰ্যত বিশ্বই আচৰ্য প্ৰকাশ কৰিছে। প্ৰধামন্ত্ৰী মোদীয়ে কয়, যে তেওঁৰ ভকেল ফৰ লোকেল আৰু লেকেল ফৰ গ্ল'ৱেলৰ লক্ষ্য বৰ্তমান বাস্তৱলৈ পৰিণত হৈছে। ভাৰতত উৎপাদিত আয়ুস সামগ্ৰী আৰু য়োগসাধনাই বৰ্তমান বিশ্বত জনপ্ৰিয়তা লাভ কৰিছে। দশক দশক জুৰি পৃথিবীৰ অন্যান্য দেশে ভাৰতক পিছফালে ৰাখিলেও বৰ্তমান ভাৰত আগবাঢ়ি আহি বিশ্ব শক্তিত পৰিণত হৈছে। তেওঁ উল্লেখ কৰে যে পূৰ্বে ভাৰতে বহু সামগ্ৰী আমদানি কৰিছিল যদিও, বৰ্তমান এই সামগ্ৰীসমূহ স্থানীয়ভাৱে উৎপাদন কৰিছে। ইয়াৰ ফলত ভাৰত বৰ্তমান সেইসমূহ সামগ্ৰীৰ ৰপ্তানী কেন্দ্ৰ হৈ পৰিছে।

০০০০০০

উত্তৰাখণ্ডৰ চাম'লী জিলাৰ মানা গাঁৱত হিমস্খলনৰ ফলত আৱদ্ধ হৈ পৰা শ্ৰমিকৰ উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। ইয়াৰে ৪৭ জন শ্ৰমিকক উদ্ধাৰ কৰা হৈছে যদিও আন ৮ জন শ্ৰমিকক উদ্ধাৰৰ বাবে প্ৰশাসনে চেষ্টা চলাই আছে।

উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে যোশীমঠত উপস্থিত হৈছে, য'ৰ পৰা তেওঁ উদ্ধাৰ অভিযান নিৰীক্ষণ কৰাৰ লগতে প্ৰয়োজনীয় পৰামৰ্শ দিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্যমন্ত্ৰী ধামীৰ সৈতে ফোনযোগে হোৱা কথাবতৰাত শ্ৰমিকসকলক নিৰাপদে উদ্ধাৰ কৰাৰ প্ৰসংগ উত্থাপন কৰে। শ্ৰীমোদীয়ে ৰাজ্যখনৰ বতৰৰ সাম্প্ৰতিক পৰিস্থিতিৰো বুজ লয়। প্ৰধানমন্ত্ৰী মোদীয়ে যিকোনো জৰুৰীকালীন পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সাহায্য আগবঢ়াব বুলি প্ৰকাশ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কৃষি আৰু গ্ৰাম্য সমৃদ্ধি বিষয়ক এখন বাজেটোত্তৰ ৱেবিনাৰত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰিব। ৱেবিনাৰ খনত এইবাৰৰ বাজেটত সন্নিবিষ্ট কৰা ঘোষণাসমূহৰ ফলপ্ৰসু প্ৰয়োগ সন্দৰ্ভত আলোচনাত গুৰুত্ব দিয়া হ'ব। কৃষি, বিকাশ আৰু গ্ৰাম্য সমৃদ্ধিত বিশেষ গুৰুত্ব দি ৱেবিনাৰ খনত বাজেটত সন্নিবিষ্ট কৰা বিভিন্ন দিশসমূহৰ আলোচনা কৰা হ'ব। এই ৱেবিনাৰত সকলো কেন্দ্ৰীয় মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানে বিয়লি ৱেবিনাৰত ভাষণ দিব।

০০০০০

আকাশবাণীৰ সঞ্চালকপ্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়ে প্ৰতিটো কেন্দ্ৰৰে অনুষ্ঠানসমূহৰ সংশ্লিষ্ট বিষয়াসকলে তেওঁলোকৰ কাম-কাজৰ দায়িত্ব সম্পূৰ্ণৰূপে গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সঞ্চালকপ্ৰধানগৰাকীয়ে দুদিনীয়া কাৰ্যসূচীৰে উত্তৰ-পূব মণ্ডলৰ কোহিমাত আয়োজিত আকাশবাণী কেন্দ্ৰসমূহৰ এখন অনুষ্ঠান আৰু বাণিজ্যিক বৈঠকৰ অন্তিম দিনৰ কাৰ্যসূচীত ভাষণ দি এইদৰে কয়। ড০ গৌড়ে তেওঁৰ ভাষণত এই ৰাজহুৱা প্ৰচাৰ ব্যৱস্থাৰ অনন্যতাৰ বিষয়ে আলোকপাত কৰি এই ব্যৱস্থাই সৃষ্টিশীলতাৰ ওপৰত বিশেষ গুৰুত্ব দিয়াৰ লগতে আকাশবাণীৰ অনুষ্ঠানসমূহৰ প্ৰচাৰ এলেকাৰ পৰিধি বৃদ্ধি কৰাৰ ক্ষেত্ৰত থকা বিশাল সম্ভাৱনাৰ বিষয়ে জোৰ দি কয়।

০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত শীঘ্ৰে যুদ্ধ বিৰতি হোৱাৰ পোষকতা কৰিছে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলডিমিৰ জেলেনস্কিক সতৰ্ক কৰি দি ট্ৰাম্পে কয় যে অতি সোণকালে তেওঁ শান্তি স্থাপন কৰক, অন্যথা ইউক্ৰেইনে ৱাছিংটনৰ সমৰ্থন হেৰুৱাব লাগিব। ৱাছিংটনৰ হোৱাইট হাউছত যোৱা নিশা শ্ৰী জেলেনস্কিৰ সৈতে হোৱা আলোচনাৰ কালত দুয়োগৰাকী নেতাৰ মাজত তীব্ৰ বাক বিতণ্ডা হয়। ইয়াৰ পাছতে আজি যুদ্ধ পৰিহাৰ কৰিবলৈ আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ইউক্ৰেইনক সতৰ্ক কৰি দিয়ে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেন্স্কীৰ মাজত দুৰ্লভ খনিজাত সামগ্ৰী সংক্ৰান্তীয় এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ বাবে ৱাশ্বিংটনত উভয় ৰাষ্ট্ৰৰ মাজত অনুষ্ঠিত আলোচনা বিফল হয়। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেন্স্কীয়ে কয়, যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে যুদ্ধ সন্দৰ্ভত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলি তেওঁ ৰাষ্ট্ৰপতি ট্ৰাম্পক আগতীয়াকৈ জনাইছিল। ৰাষ্ট্ৰপতি ট্ৰাম্পে

সংবাদ মাধ্যমৰ আগত জেলেন্‌স্কীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতিক ঘৃণা কৰে আৰু ইয়াৰ বাবেই বুজাবুজিৰ ক্ষেত্ৰত বাধা আহিছে বুলি কৰা মন্তব্যৰ পাছত দুয়োগৰাকী ৰাষ্ট্ৰপতিৰ মাজত সংঘাতে দেখা দিয়ে। এই বৈঠকৰ অন্তত দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতি ট্ৰাম্পে কয়, যে জেলেন্‌স্কী যেতিয়াই শান্তি ৰক্ষাৰ বাবে সাজু হৈ উঠে, তেতিয়াই হোৱাইট হাউচলৈ আহিব পাৰিব। ট্ৰাম্পে জেলেন্‌স্কীক তেওঁৰ কাম-কাজসমূহে তৃতীয় বিশ্বযুদ্ধ সৃষ্টি কৰিব পাৰে বুলি সকীয়নি দিয়ে।

oooooo

দেশত বিগত দুবছৰত কয়লাৰ সৰবৰাহ দুগুণলৈ বৃদ্ধি পাইছে। কয়লা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ২০২২ চনত দেশত ৰে'লপথ আৰু সাগৰীয় পথেৰে সৰবৰাহ হোৱা ২৮ নিযুত মেট্ৰিক টনৰ পৰা ২০২৪ চনত কয়লাৰ পৰিমাণ ৫৪ নিযুত মেট্ৰিক টনলৈ বৃদ্ধি পায়। কেৱল ৰে'লপথেৰে কয়লা সৰবৰাহৰ তুলনাত সাগৰীয় পথেৰে পৰিবহন কৰা কয়লাৰ পৰিমাণ যথেষ্ট বৃদ্ধি পায়। মন্ত্ৰালয়ৰ সূত্ৰই জনোৱা মতে বৰ্তমান দেশৰ কয়লা খনিসমূহৰ পৰা উৎপাদিত কয়লা বিভিন্ন শক্তি উৎপাদন কেন্দ্ৰলৈ প্ৰথমে ৰে'ল, পাছত জাহাজ আৰু পুনৰ ৰে'লপথেৰে পৰিবহন কৰা হয়। এইদৰে কয়লা পৰিবহনৰ ক্ষেত্ৰত বিভিন্ন পৰিবহন ব্যৱস্থাৰ সহায় লোৱাৰ ফলত দেশত কয়লা ইন্ধনৰ কাৰ্যকৰী ব্যৱহাৰ সুনিশ্চিত হৈছে বুলি সূত্ৰটোৱে লগতে প্ৰকাশ কৰে।

oooooo

আই চি চি চেম্পিয়নছ্ ট্ৰফী  ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ বিৰ লীগ পৰ্যায়ৰ চূড়ান্ত খেলত আজি দক্ষিণ আফ্ৰিকাই ইংলেণ্ডৰ বিৰুদ্ধে খেলিব। খেলখন আজি বিয়লি আঢ়ৈ বজাত কৰাচীত অনুষ্ঠিত হ'ব। এইখন খেলত জয়লাভ কৰিলে বা খেলখন টাই হ'লে দক্ষিণ আফ্ৰিকা ছেমি ফাইনেলত প্ৰৱেশ কৰাতো নিশ্চিত হ'ব। ইংলেণ্ড নিজৰ দুয়োখন খেলত পৰাস্ত হোৱাৰ পৰিপ্ৰেক্ষিতত ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। আজিৰ খেলখনত ইংলেণ্ডে দক্ষিণ আফ্ৰিকাক ২০৭ ৰান বা ততোধিক ব্যৱধানত পৰাস্ত কৰিব পাৰিলে গ্ৰুপ বিৰ পৰা আফগানিস্তানে ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ যোগ্যতা অৰ্জন কৰিব।

ooooo

প্ৰাগ মাষ্টাৰ্ছ ২০২৫ ডবা প্ৰতিযোগিতাত গ্ৰেণ্ড মাষ্টাৰ অৰবিন্দ চিতম্বৰমে অগ্ৰগতি লাভ কৰিছে। তেওঁ ছেক ৰিপাব্লিকৰ ৰাজধানী প্ৰাগত যোৱা নিশা অনুষ্ঠিত তৃতীয় ৰাউণ্ডৰ খেলত চীনৰ গ্ৰেণ্ড মাষ্টাৰ ৱেই  য়িক পৰাস্ত কৰে। এই জয়ৰ জৰিয়তে ভাৰতৰ খেলুৱৈগৰাকীয়ে ১১ পইণ্ট লাভ কৰি বিশ্ব ৰেংকিঙৰ ১৬ নম্বৰ স্থানলৈ উন্নীত হৈছে। ভাৰতৰ আন এগৰাকী খেলুৱৈ গ্ৰেণ্ড মাষ্টাৰ আৰ প্ৰজ্ঞানন্দই তৃতীয় ৰাউণ্ডত ছেক ৰিপাব্লিকৰ গ্ৰেণ্ড মাষ্টাৰ নুয়েন থাই ডাই ভানক পৰাজিত কৰি প্ৰতিযোগিতাত প্ৰথমটো জয় সাব্যস্ত কৰে। ৬ ৰাউণ্ড বাকী থকা প্ৰতিযোগিতা খনত অৰবিন্দ চিতম্বৰমে  ২ দশমিক ৫ পইণ্ট লাভ কৰি আগবাঢ়ি আছে। জাৰ্মানীৰ গ্ৰেণ্ড মাষ্টাৰ ভিনচেণ্ট কেইমাৰ আৰু ভাৰতৰ গ্ৰেণ্ড মাষ্টাৰ আৰ প্ৰজ্ঞানন্দই প্ৰত্যেকেই দুই পইণ্টকৈ লাভ কৰি আছে।

ooooo

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত বেংগালুৰুৰ এন চিন্নাস্বামী ষ্টেডিয়ামত আজি সন্ধিয়া চাৰে ৭ বজাত ড্লেহী কেপিটেলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত খেলত ডেলহী কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ৯ উইকেটত পৰাস্ত কৰে। বেংগালুৰুৰ এন চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ডেলহী কেপিটেলছে ১২৪ ৰাণৰ বিজয় লক্ষ্যৰে খেলি

হাতত ৯টা উইকেট আৰু ৩৩টা বল বাকী থকা অৱস্থাত বিজয় সাব্যস্ত কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অ'ভাৰত ৯টা উইকেটৰ বিনিময়ত ১২৩ ৰাণ সংগ্ৰহ কৰে। ডেলহী কেপিটেলছৰ অধিনায়ক মেগ লেনিঙে ৪৯টা বলত অপৰাজিত ৬০ ৰাণৰ বৰঙণি আগবঢ়ায়।

০০০০০০০

সমাপ্ত